## PM to deliver keynote address at India Ideas Summit on 22 July

July 21, 2020

---

# প্ৰধানমন্ত্ৰীয়ে ২২ জুলাইত ইণ্ডিয়া আইডিয়াছ শীৰ্ষ সন্মিলনত মুখ্য ভাষণ আগবঢ়াব

## 21 জুলাই, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 22 জুলাই 2020 তাৰিখত ইণ্ডিয়া আইডিয়াছ শীৰ্ষ সন্মিলনত মুখ্য ভাষণ আগবঢ়াব।

মাৰ্কিন-ভাৰত ব্যৱসায়িক পৰিষদে এই সন্মিলন আয়োজন কৰিব। পৰিষদখন গঠন কৰাৰ ৪৫ তম বৰ্ষপূৰ্তি উপলক্ষে এইবাৰ এই সন্মিলনৰ আয়োজন কৰা হৈছে। এণ্ডিয়া আইডিয়াছ শীৰ্ষ সন্মিলনৰ এই বছৰৰ বিষয়বস্তু হৈছে 'এক উন্নত ভৱিষ্যত গঢ় দিয়া'।

ভৰ্চুৱেল সন্মিলনখনত ভাৰত আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰ চৰকাৰৰ উচ্চপৰ্য্যায়ৰ নীতি প্ৰস্তুতকাৰী, ৰাজ্যিক পৰ্য্যায়ৰ বিষয়াবৰ্গ আৰু ব্যৱসায় তথা সমাজৰ আগশাৰীৰ বুদ্ধিজীৱি নেতা উপস্থিত থাকিব। সন্মিলনৰ আন কেইগৰাকীমান মুখ্য বক্তাৰ ভিতৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড এছ জয় শংকৰ, মাৰ্কিন বৈদেশিক সচিব শ্ৰী মাইক পম্পিঅ, ভাৰ্জিনিয়াৰ ছিনেটৰ আৰু ছিনেট ইণ্ডিয়া ককাছৰ সহ-সভাপতি শ্ৰী মাৰ্ক ৱাৰ্ণাৰ, ৰাষ্ট্ৰসংঘৰ প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰদূত শ্ৰীমতী নিকি হালে উল্লেখযোগ্য। এই সন্মিলনত ভাৰত-মাৰ্কিন সহযোগিতা আৰু মহামাৰীৰ পিছৰ বিশ্বত দুয়োখন দেশৰ সম্পৰ্কৰ ভৱিষ্যত আদি বিষয়বোৰত আলোচনা কৰিব।

**নতুন দিল্লী**
**21 জুলাই, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.